# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 02-06-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ত কালি ৬২ দশমিক ৩-৬ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। পৰহিলৈ ভোটগণনা কৰা হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছ আৰু নিয়াৰিকৈ লোকসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগক প্ৰশংসা কৰিছে।

৩। ৰীমালৰ প্ৰভাৱত সৃষ্টি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১০খন জিলাৰ ৬ লাখৰো অধিক লোক বানৰ কবলত পৰিছে।

৪। দেশত যোৱা মে'ত ১ লাখ ৭৩ হাজাৰ কোটি টকাৰ মুঠ সামগ্ৰী আৰু সেৱাকৰ, GST ৰাজহ সংগ্ৰহ হৈছে।

*আৰু*

৫। ভাৰতে যোৱানিশা পুৰুষৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন অনুশীলনমূলক খেলত বাংলাদেশক ৬০ ৰানত পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ত কালি ৬২ দশমিক ৩-৬ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩টাকৈ, পশ্চিমবংগৰ ৯টা, বিহাৰৰ ৮টা, ওড়িশাৰ ছটা, হিমাচল প্ৰদেশৰ ৪টা, ঝাৰখণ্ডৰ ৩টা আৰু চণ্ডীগড়ৰ এটা সমষ্টি আছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি সপ্তম পৰ্যায়ত বিহাৰত ৫১ দশমিক ৯-২, চণ্ডিগড়ত ৬৭ দশমিক ৯-০, হিমাচল প্ৰদেশত ৭০ দশমিক ০-৫, ঝাৰখণ্ডত ৭০ দশমিক ৬-৬, ওড়িশাত ৭০ দশমিক ৬-৭, পাঞ্জাবত ৬১ দশমিক ৩-২, উত্তৰ প্ৰদেশত ৫৫ দশমিক ৫-৯ আৰু পশ্চিমবংগত ৭৩ দশমিক ৭-৯ শতাংশ ভোটদান সম্পন্ন হৈছে।

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোট গ্ৰহণৰ সামৰণিৰ লগে লগে এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ৯০৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্যও ই ভি এমত বন্দী হয়। ইয়াৰ ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, ৰবিশংকৰ প্ৰসাদ, অভিনেত্ৰী কংগনা ৰাণাৱট, তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, পাঞ্জাবৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিৎ সিং চান্নী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হৰছিমৰাৎ কৌৰ বাদল,

আৰ. জে. ডিৰ মুৰববী লালুপ্ৰসাদ যাদৱৰ কন্যা মিছা ভাৰতী, কংগ্ৰেছ নেতা মণীষ তিৱাৰী, বিক্ৰমাদিত্য সিং অন্যতম।

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ত সমান্তৰালভাৱে কালি ওড়িশা বিধানসভাৰ ৪২ খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হয়। ইয়াৰ উপৰি হিমাচল প্ৰদেশৰ ৬টা আৰু বিহাৰ, উত্তৰপ্ৰদেশ তথা পশ্চিমবংগৰ এটাকৈ বিধানসভা সমষ্টিৰ বাবে কালি উপ-নিৰ্বাচনো অনুষ্ঠিত হয়। সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগে লগে ১৯ এপ্ৰিলত আৰম্ভ হোৱা বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনী প্ৰক্ৰিয়াৰো কালি সামৰণি পৰে। নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে কৈছে যে, লোকসভা নিৰ্বাচনৰ সাতোটা পৰ্যায়ত ভোটগ্ৰহণ সুচাৰুৰূপে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু ডং সুখবীৰ সিং সান্ধুৰ নেতৃত্বত আয়োগে এইবাৰৰ সাধাৰণৰ নিৰ্বাচনৰ সাতোটা পৰ্যায়ত নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰতিটো দিশৰ ওপৰত সূক্ষ্মভাৱে নজৰ ৰাখে। ভোটদাতাসকলে যাতে শংকা বা ভয় অবিহনে ভোটদান কৰিব পাৰে তাৰবাবে এটা অনুকূল বাতাবৰণ গঢ়ি তোলাৰ বাবে নিৰ্বাচনৰ সময়ত কঠোৰ সুৰক্ষা ব্যৱস্থা কৰা হৈছিল বুলি আয়োগে প্ৰকাশ কৰে। আয়োগে কয় যে, সু-বিচাৰপূৰ্ণ আগতীয়া পৰিকল্পনা আৰু নিৰ্বাচনী বিষয়াসকলৰ কঠোৰ প্ৰশিক্ষণৰ বাবে এইবেলি নিৰ্বাচনত পুনৰ ভোটগ্ৰহণৰ ঘটনা যথেষ্ট হ্ৰাস পাইছে আৰু ইয়াৰ পৰা নিৰ্বাচনী প্ৰক্ৰিয়াৰ শক্তি-সামৰ্থ্য প্ৰতিফলন ঘটিছে। পৰহিলৈ ভোটগণনা কৰা হ'ব। ভোটগণনাৰ বাবে সমগ্ৰ দেশত প্ৰস্তুতি পূৰ্ণ গতিত অব্যাহত আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছ আৰু নিয়াৰিকৈ লোকসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগক প্ৰশংসা কৰিছে। সামাজিক মাধ্যম যোগে শ্ৰীমোদীয়ে কয় যে, দেশৰ জনসাধাৰণক বিশ্বাস আৰু নিৰাপত্তাৰে সৈতে ভোটদান কৰাৰ সুবিধা প্ৰদান কৰি নিৰ্বাচন আয়োগে ভাৰতীয় গণতন্ত্ৰৰ পৱিত্ৰতাক অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকাৰ সময়ত সুৰক্ষাৰ ক্ষেত্ৰত দেখুওৱা সতৰ্কতাৰ বাবে সুৰক্ষা বাহিনীসমূহৰ শলাগ লয়।

০০০০০

নিৰ্বাচন আয়োগে ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্যায়ৰ নিৰ্বাচন নিৰীক্ষণকাৰীয়ে আগবঢ়োৱা মূল্যায়ণৰ ভিত্তিত উদ্ভৱ হ'ব পৰা হিংসাত্মক ঘটনা ৰোধ কৰাৰ বাবে কেন্দ্ৰীয় বাহিনী নিয়োগ কৰিছে। সূত্ৰসমূহে কৈছে যে, অন্ধ্ৰপ্ৰদেশ আৰু পশ্চিমবংগত ভোট গণনাৰ পৰৱৰ্তী ১৫ দিন পৰ্যন্ত সুৰক্ষা বাহিনী নিয়োজিত হৈ থাকিব। একেদৰে উত্তৰ প্ৰদেশ, ওড়িশা, ছিকিম, অৰুণাচল প্ৰদেশতো ভোটগণনাৰ পৰৱৰ্তী দুদিন পৰ্যন্ত সুৰক্ষা বাহিনী নিয়োজিত হৈ থাকিব।

০০০০০

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে আই এন ডি আই মিত্ৰজোঁটক সুবিধাবাদী আখ্যা দি তেওঁলোকে ভোটাৰৰ মন জয় কৰাত ব্যৰ্থ হৈছে বুলি মন্তব্য কৰিছে। এই মিত্ৰজোঁটক জাতিবাদী সাম্প্ৰদায়িক আৰু দুৰ্নীতিগ্ৰস্ত বুলি তেওঁ অভিযোগ তোলে। এই মিত্ৰজোঁটে কেইটামান পৰিয়ালক সুৰক্ষিত কৰিব খোজা বুলি মন্তব্য কৰি শ্ৰীমোদীয়ে কয় যে, দেশৰ বাবে ভৱিষ্যদৰ্শী পৰিকল্পনা আগবঢ়োৱাত তেওঁলোক ব্যৰ্থ হৈছে। শ্ৰীমোদীয়ে কয় যে, নিৰ্বাচনী প্ৰচাৰৰ সময়ছোৱাত তেওঁলোকে কেৱল মোদীক সমালোচনা কৰাতহে নিজৰ দক্ষতাৰ পৰিচয় দিছে। এনে নিম্নমানৰ ৰাজনীতিক জনসাধাৰণে অস্বীকাৰ কৰিছে বুলিও তেওঁ কয়।

০০০০০

ৰীমালৰ প্ৰভাৱত সৃষ্টি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১০খন জিলাৰ ৬ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। বিগত ২৪ ঘণ্টাত বানৰ ফলত ৩ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১১ হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি হাইলাকান্দি, হোজাই, মৰিগাঁও, কৰিমগঞ্জ, নগাঁও, কাছাৰ, ডিব্ৰুগড়, গোলাঘাট, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ মুঠ ২৫টা ৰাজহ চক্ৰৰ অধীনস্থ ৫৯৭ খন গাঁও প্লাৱিত হৈছে আৰু ৪ হাজাৰ ৮০০ হেক্টৰৰো অধিক কৃষিভূমি বানৰ কবলত পৰিছে। ৰাজ্য চৰকাৰে বান প্ৰভাৱিত জিলা কেইখনত মুঠ ১৮৭টা সাহায্য শিবিৰ আৰু ৯৬টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। উদ্ধাৰ আৰু সাহায্য অভিযানৰ কামত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দল নিয়োগ কৰা হৈছে। বিগত ২৪ ঘণ্টাত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ প্ৰথম বেটেলিয়নৰ এটা অতিৰিক্ত দল বিমানেৰে গুৱাহাটীৰ পৰা হাইলাকান্দি, কাচাৰ আৰু কৰিমগঞ্জ জিলালৈ প্ৰেৰণ কৰা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, ৰাজ্যখনত কালি বাঢ়নী পানীয়ে বিভিন্ন জিলাত ২৭টা পথ, মথাউৰি আৰু অন্য আন্তঃগাঁথনিৰ ক্ষতিসাধন কৰে।

উত্তৰ-পূব সীমান্ত ৰে'লৱেই নিউ হাফলং-চন্দ্ৰনাথপুৰৰ মাজৰ ৰে'ল পথৰ ক্ষতিসাধন আৰু শিলচৰ ষ্টেচনত পানী জমা হোৱাৰ বাবে পথচোৱাৰে চলাচল কৰা কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা সম্পূৰ্ণৰূপে অথবা আশিংকভাৱে বাতিল কৰিছে।

ব্ৰহ্মপুত্ৰৰ পানী তেজপুৰ, গুৱাহাটী আৰু গোৱালপাৰাত ক্ৰমৎ বৃদ্ধি পাইছে। কপিলী, ধনশিৰি, পাগলাদিয়া, বুঢ়ীদিহিং আৰু কুশিয়াৰা নৈৰ পানীও ভালেমান ঠাইত বাঢ়িবলৈ লৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, ৰীমাল ঘূৰ্ণি বতাহৰ ফলত অসম, পশ্চিমবংগ, উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ঠাই আৰু তেলেংগানাত ব্যাপক ক্ষতি হৈছে। শ্ৰীমতী মুৰ্মুৱে কালি সামাজিক মাধ্যমযোগে কয় যে, ৰীমাল ধুমুহাৰ ফলত ধন-জন হানি হোৱা আৰু ভালেসংখ্যক লোকক আন ঠাইলৈ স্থানান্তৰ কৰিবলগীয়া হোৱা ঘটনাই তেওঁক ব্যাথিত কৰি তুলিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সমগ্ৰ দেশ এই প্ৰাকৃতিক বিপৰ্যয়ৰ দ্বাৰা প্ৰভাৱিত লোকসকলৰ সৈতে আছে। তেওঁ লগতে উদ্ধাৰ আৰু সাহায্য প্ৰয়াসৰ সাফল্য কামনা কৰে আৰু শীঘ্ৰেই পৰিস্থিতি স্বাভাৱিক হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০

দেশত যোৱা মে'ত ১ লাখ ৭৩ হাজাৰ কোটি টকাৰ মুঠ সামগ্ৰী আৰু সেৱাকৰ, GST ৰাজহ সংগ্ৰহ হৈছে। বিত্ত মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে, এই পৰিমাণ যোৱা বছৰৰ মে'ৰ তুলনাত ১০ শতাংশ অধিক। মে'ত সংগৃহীত মুঠ ৰাজহৰ ভিতৰত ৩২ হাজাৰ কোটিৰো অধিক টকাৰ কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱাকৰ, ৪০ হাজাৰ কোটিৰো অধিক টকাৰ ৰাজ্যিক সামগ্ৰী আৰু সেৱাকৰ, ৮৭ হাজাৰ ৭৮১ কোটি টকাৰ সংহত সামগ্ৰী আৰু সেৱাকৰ আৰু ১২ হাজাৰ কোটিৰো অধিক টকাৰ উপ কৰ আছে।

০০০০০

ভাৰতে যোৱানিশা নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত পুৰুষৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন অনুশীলনমূলক খেলত বাংলাদেশক ৬০ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ উইকেটকীপাৰ-বেটছমেন ঋষভ পণ্টৰ ৫৩ আৰু

হাৰ্দিক পাণ্ডিয়াৰ অপৰাজিত ৪০ ৰানৰ সহায়ত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৮২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১২২ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ অৰ্শদীপ সিং আৰু শিৱম ডুবেই দুটাকৈ উইকেট দখল কৰে। বাংলাদেশৰ মহমুদুল্লাই ২৯টা বলত ৪০ ৰান কৰে। প্ৰাক্তন অধিনায়ক বিৰাট কোহলি মাত্ৰ এদিন পূৰ্বে নিউয়ৰ্কত উপস্থিত হোৱাৰ বাবে খেলুৱৈগৰাকীক কালিৰ দলত অন্তৰ্ভুক্ত কৰা হোৱা নাছিল।

০০০০০

চলিত বৰ্ষৰ এফ আই এইচ হকী প্ৰ' লীগত ভাৰতৰ মহিলা হকী দলটোৱে লণ্ডনত অনুষ্ঠিত নিজৰ প্ৰথমখন খেলত জাৰ্মানীৰ হাতত ১-৩ গ'লৰ ব্যৱধানত পৰাস্ত হয়। ভাৰতৰ হৈ খেলৰ ২৩ মিনিটত দীপিকাই একমাত্ৰ গ'লটো দিয়ে। আজি ভাৰতীয় দলটোৱে ব্ৰিটেইনৰ বিৰুদ্ধে খেলিব।

০০০০০

**সমাপ্ত**